**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**---------------------------**

০০০০০০

সমগ্ৰ দেশত কাইলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনাৰে উদ্‌যাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে হৰ ঘৰ তিৰংগা অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ইয়াৰ পৰিপ্ৰেক্ষিতত  সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত অসমীয়া বাতৰি ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ন বজাত প্ৰচাৰ কৰা হ'ব।

কাইলৈ পুৱা ৭ বজাত লালকিল্লাৰ পৰা স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত পুৱা ৭ বাজি ৫ মিনিটত প্ৰচাৰ হ'বলগীয়া অসমীয়া বাতৰি ৬ বাজি ৫০ মিনিটত কৰা হ'ব। একেদৰে এই অনুষ্ঠান প্ৰচাৰৰ বাবে কাইলে পুৱা ৭ বাজি ৫৫ মিনিটৰ উজনি অসমৰ বাতৰি প্ৰচাৰ কৰা নহ'ব।

স্বাধীনতা দিৱস উপলক্ষে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব আৰু এই উদ্‌যাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব।

০০০০০০০

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। এই বছৰ আৰক্ষী, অগ্নি নিৰ্বাপন, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱাৰ মুঠ এহেজাৰ ৯০ গৰাকী কৰ্মীলৈ এই পদক আগবঢ়োৱা হৈছে। এই পদক লাভ কৰাসকলৰ ভিতৰত অসমৰ ১৭ গৰাকী আৰক্ষী কৰ্মী আছে। আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তলৈ উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়ো আৰু কনিষ্টবল অখিলৰঞ্জন দাসে সাহসিকতাৰ আৰক্ষী পদক লাভ কৰিছে। একেদৰে আৰক্ষী মহাপৰিদৰ্শক সংযুক্তা পৰাশৰ, আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিং, কামাণ্ডেণ্ট জয়শ্ৰী খেৰচা, আৰক্ষী অধীক্ষক হৃদয়জিৎ বৰ্মন, আৰক্ষী অধীক্ষক নুমল মাহাট্টা, কামাণ্ডেণ্ট দেৱাশীষ বৰা, কামাণ্ডেণ্ট টাবুৰাম পেগু, উপ-আৰক্ষী অধীক্ষক নিৰ্মল চন্দ্ৰ বিশ্বাস, আৰক্ষী পৰিদৰ্শক ললিত শইকীয়া, উপ-পৰিদৰ্শক অখিল কুমাৰ দাস, পৰিদৰ্শক ধ্ৰুৱ ছৰ্‌কি, সহকাৰী কামাণ্ডেণ্ট নবীন চন্দ্ৰ শৰ্মা আৰু উপ-পৰিদৰ্শক ৰবীন্দ্ৰ সিন্‌হাই বিশিষ্ট সেৱাৰ বাবে আৰক্ষী পদক লাভ কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ১১৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া নগৰীয়া পানী যোগান আঁচনি, ৩১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ধমধমা দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠান, ৭৭ কোটি টকা

ব্যয় সাপেক্ষে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ সহায়ত নিৰ্মাণ কৰিবলগীয়া ঘগ্ৰাপাৰ পথ উৰণ সেতু, অসম স্থিতিস্থাপক গ্ৰাম্য সেতু কাৰ্যসূচীৰ অধীনত নিৰ্মাণ কৰিবলগীয়া ৫৯ কোটি টকা ব্যয় সাপেক্ষ ৮ খন দলঙকে ধৰি ২০টা নতুন প্ৰকল্পৰ আজি মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব। ইয়াৰ লগতে তেওঁ ৬৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বৰকুৰা পথ উৰণ সেতু আৰু ৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা গোপাল বজাৰ, বালিতাৰা, চতমা, মিলন বজাৰ উপকেন্দ্ৰকে ধৰি ৭টা উন্নয়ন প্ৰকল্পৰ উদ্বোধন কৰিব।

ইফালে মুখ্যমন্ত্ৰীয়ে কালি কোকৰাঝাৰত সাংবাদিকৰে মত বিনিময় কৰি ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিয়াৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে বুলি মন্তব্য কৰে। প্ৰতিষ্ঠানখনৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তক লৈ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়া সন্দৰ্ভত মত ব্যক্ত কৰি তেওঁ এই বিষয়ত কিছু ভুল বুজাবুজি হোৱা বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত বৰ্ধিত মাচুল জনসাধাৰণে দিব নালাগে বুলি মন্তব্য কৰি আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম কাৰ্ডত চৰকাৰে এই ধন জমা দিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

ৰাজ্য চৰকাৰে জনজাতি সম্প্ৰদায়ৰ উন্নয়নৰ বাবে অহৰ্নিশে কাম কৰি আছে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ট্ৰাইবেল বেল্টৰ সৈতে আপোচ কৰা নহ'ব বুলি মন্তব্য কৰে। তেওঁ ৰাজ্যত কোনো ট্ৰাইবেল বেল্ট ভাঙি দিয়া নহয়, বৰং ৬০০ খন নতুন ট্ৰাইবেল বেল্ট আৰু ব্লক গঠনৰহে প্ৰস্তাৱ দিয়া হৈছে বুলিও স্পষ্ট কৰি দিয়ে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কেবিনেটৰ সিদ্ধান্তমৰ্মে দুৰ্গম অঞ্চলৰ খিলঞ্জীয়া লোকসকলৰ সুৰক্ষাৰ বাবে আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ উদ্দেশ্যে এটা সুকীয়া সেৱা সেতু প'ৰ্টেল মুকলি কৰে। এই উপলক্ষে দিছপুৰৰ লোকসেৱা ভৱনত এখন সংবাদমেলত ডঃ শৰ্মাই কয়, যে ৰাজ্যৰ স্থায়ী বাসিন্দা তথা খিলঞ্জীয়া লোকসকলেহে আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ লাভ কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই স্বাধীনতাৰ ৭৮ বছৰ পূৰ্ণ হোৱা উপলক্ষে প্ৰচাৰ কৰি অহা অনুষ্ঠানমালাৰ অংশ হিচাপে অহা ১৬ আগষ্ট শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**